# NSD NEWS UNIT
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 07-02-2026 **Time :** 1340 Hrs.

***Assamese Midday Bulletin***
***HEADLINES***

১। ভাৰত আৰু আমেৰিকা যুক্তৰাষ্ট্ৰই উভয় দেশৰ বাবে লাভদায়কঅন্তৰৱৰ্তী বাণিজ্য চুক্তিৰ পৰিকাঠামো প্ৰস্তুত কৰা বুলি ঘোষণা কৰিছে।

২। আমেৰিকা যুক্তৰাষ্ট্ৰৰ ৰাষ্ট্ৰদূত ছাৰ্জিঅ' গ'ৰেকে ধৰি বিভিন্নজনে ভাৰত-আমেৰিকা যুক্তৰাষ্ট্ৰৰ বাণিজ্য চুক্তিক আদৰণে জনাইছে।

৩। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী দুদিনীয়া ভ্ৰমণসূচীৰে মালেছিয়ালৈ ৰাওনা হৈছে।

৪। মেঘালয়ৰ পূব জয়ন্তীয়া পাহাৰ জিলাৰ থাংস্কক' অঞ্চলৰ মিনশ্বিংগাতত কয়লা খনিত বিস্ফোৰণৰ ফলত মৃত্যু হোৱা লোকৰ সংখ্যা ২৫ লৈ বৃদ্ধি পাইছে।

আৰু

৫। নেডাৰলেণ্ডেছে টি-২০ বিশ্বকাপ প্ৰতিযোগিতাৰ উদ্বোধনী খেলত পাকিস্তানক বিজয়ৰ বাবে ১৪৮ ৰানৰ লক্ষ্য নিৰ্ধাৰণ কৰি দিছে।

০০০০০০০০০

ভাৰত আৰু আমেৰিকা যুক্তৰাষ্ট্ৰই উভয় দেশৰ বাবে লাভদায়ক অন্তৰৱৰ্তী বাণিজ্য চুক্তিৰ পৰিকাঠামো প্ৰস্তুত কৰা বুলি ঘোষণা কৰিছে। বাণিজ্য আৰু উদ্যোগ মন্ত্ৰ্যালয়ে ভাৰত আৰু আমেৰিকাৰ যুটীয়া বিবৃতি শ্বেয়াৰ কৰিছে। এই বিবৃতিত বিশদ আমেৰিকা-ভাৰত দ্বিপাক্ষিক বাণিজ্য চুক্তি আলোচনাৰ প্ৰতি দুয়োদেশৰ প্ৰতিশ্ৰুতিবদ্ধতা প্ৰতিফলিত কৰা হৈছে। যুটীয়া বিবৃতি অনুসৰি আমেৰিকা যুক্তৰাষ্ট্ৰই ভাৰতৰ পৰা আমদানি কৰা সকলো সামগ্ৰীৰ ক্ষেত্ৰত আৰোপিত প্ৰতিশুল্ক ১৮ শতাংশলৈ হ্ৰাস কৰিব। ইয়াৰ বিপৰীতে ভাৰতে আমেৰিকাৰ সকলো উদ্যোগিক সামগ্ৰী আৰু খাদ্য তথা কৃষিজাত সামগ্ৰীৰ ওপৰত আৰোপ কৰা শুল্ক প্ৰত্যাহাৰ কৰিব। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে সামাজিক মাধ্যমযোগে চুক্তিখনক ভাল সংবাদ বুলি অভিহিত কৰিছে আৰু উভয় দেশৰ মাজৰ সম্পৰ্ক সুদৃঢ় কৰাৰ উদ্দেশ্যে চলোৱা ব্যক্তি প্ৰচেষ্টাৰ বাবে ৰাষ্ট্ৰপতি ড'নাল্ড ট্ৰাম্পক ধন্যবাদ জনাইছে। শ্ৰী মোদীয়ে কয়, যে এই পৰিকাঠামোই ভাৰত আৰু আমেৰিকা যুক্তৰাষ্ট্ৰৰ মাজৰ সহযোগিতাৰ গভীৰতা, গতিশীলতা আৰু পাৰস্পৰিক বিশ্বাসক প্ৰতিফলিত কৰে।

০০০০০০০০০

আমেৰিকা যুক্তৰাষ্ট্ৰৰ ৰাষ্ট্ৰদূত ছাৰ্জিঅ' গ'ৰে বাণিজ্য আৰু অৰ্থনৈতিক সহযোগিতা সন্দৰ্ভত ভাৰত আৰু আমেৰিকা যুক্তৰাষ্ট্ৰই দিয়া যুটীয়া বিবৃতিৰ বাবে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আৰু ৰাষ্ট্ৰপতি ড'নাল্ড ট্ৰাম্পক ভূয়সী প্ৰশংসা কৰিছে। দুয়োগৰাকী নেতাৰ দূৰদৰ্শিতাৰ শলাগ লৈ ৰাষ্ট্ৰদূতগৰাকীয়ে ইয়াক উভয় দেশৰ মাজৰ সম্পৰ্কৰ নতুন পৰ্যায় বুলি অভিহিত কৰিছে।

আমেৰিকা যুক্তৰাষ্ট্ৰৰ বাণিজ্যিক প্ৰতিনিধি ৰাষ্ট্ৰদূত জেমিছ গ্ৰীৰেও যুটীয়া বিবৃতিৰ প্ৰতি আদৰণি জনাইছে। তেওঁ কয়, যে শুল্ক আৰু অ-শুল্কজনিত বাধা দূৰ কৰা আৰু আমেৰিকাৰ বিভিন্ন সামগ্ৰীৰ বাবে ভাৰতৰ বিশাল বজাৰ মুকলি কৰাই এই চুক্তিৰ মূল উদ্দেশ্য। তেওঁ কয়, যে যুটীয়া বিবৃতিটোৱে দুয়োদেশৰ মাজৰ গভীৰ সম্পৰ্কক প্ৰতিফলিত কৰে আৰু উভয় দেশৰ মাজত সম্পাদিত চুক্তিখনে খেতিয়ক তথা উদ্যমীসকলৰ বাবে নতুন সুযোগৰ সৃষ্টি কৰিব।

০০০০০০০০০

ভাৰত -আমেৰিকা যুক্তৰাষ্ট্ৰ অন্তৰৱৰ্তী বাণিজ্য চুক্তিত প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙে ভাৰতৰ অৰ্থনৈতিক যাত্ৰাৰ কৌশলগত মাইলৰ খুঁটাৰ গুৰুত্বপূৰ্ণ কাৰ্যব্যৱস্থা হিচাপে অবিহিত কৰিছে। সামাজিক মাধ্যমৰ এটা বাৰ্তাত শ্ৰীসিঙে কয় যে এই চুক্তিয়ে ৰপ্তানিৰ

সা-সুবিধাৰ সম্প্ৰসাৰণ কৰাৰ লগতে শ্ৰম খণ্ডক শক্তিশালী কৰিব, উচ্চমানৰ বিনিয়োগক আকৰ্ষণ কৰিব আৰু বৃহৎ পৰিসৰত কৰ্মসংস্থাপনৰ সৃষ্টি কৰিব। প্ৰতিৰক্ষা মন্ত্ৰীগৰাকীয়ে উল্লেখ কৰে যে এই চুক্তিৰ জৰিয়তে দেশৰ কৃ-ষক সমাজ আৰু কৃষি খণ্ডকো সুৰক্ষা দিব পৰা হ'ব। তেওঁ লগতে বিকাশ কৰ্মসংস্থাপন আৰু দীৰ্ঘম্যাদী অৰ্থনৈতিক সৰলীকৰণৰ এই ঐতিহাসিক ব্যৱস্থাৰ বাবে অক্লান্ত পৰিশ্ৰম কৰা প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীক প্ৰশংসা কৰে।

ooooooooo

কেন্দ্ৰীয় যোগাযোগ মন্ত্ৰী জ্যোতিৰাদিত্য সিন্ধিয়াই ভাৰত আৰু আমেৰিকা যুক্তৰাষ্ট্ৰৰ মাজৰ অন্তৰ্বৰ্তী বাণিজ্য চুক্তি পৰিকাঠামোক গোলকীয় সহযোগিতা ভাৰতীয় জনসাধাৰণৰ বাবে বাস্তৱিক সুযোগলৈ পৰিণত কৰাৰ দিশে লোৱা গুৰুত্বপূৰ্ণ পদক্ষেপ হিচাপে অভিহিত  কৰিছে। শ্ৰী সিন্ধিয়াই আজি সামাজিক মাধ্যমযোগে কয়, যে এই পৰিকাঠামোই সৰ্বাত্মক, ভৱিষ্যমুখী আৰু জনসাধাৰণৰ আকাংক্ষা আধাৰিত বিকাশৰ প্ৰতি সংকল্পবদ্ধতা প্ৰকাশ কৰিছে। চুক্তিখনে ভাৰতবৰ্ষক বিকশিত ৰাষ্ট্ৰৰূপে গঢ়ি তোলাত সহায় কৰিব বুলি তেওঁ মন্তব্য কৰে।

কেন্দ্ৰীয় পথ আৰু ঘাইপথ মন্ত্ৰী নীতিন গাডকাৰীয়ে এই পৰিকাঠামোক ভাৰত আৰু আমেৰিকা যুক্তৰাষ্ট্ৰৰ মাজৰ কৌশলগত আৰু অৰ্থনৈতিক সহযোগিতা সুদৃঢ়কৰণৰ দিশৰ পৰা গুৰুত্বপূৰ্ণ মাইলৰ খুটি বুলি অভিহিত কৰিছে। শ্ৰী গাডকাৰীয়ে সামাজিক মাধ্যমযোগে কয়, যে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আৰু আমেৰিকা যুক্তৰাষ্ট্ৰৰ ৰাষ্ট্ৰপতি ড'নাল্ড ট্ৰাম্পৰ ভৱিষ্যমুখী নেতৃত্বত সম্পাদিত এই পৰিকাঠামোই দুয়ো দেশৰ মাজত গভীৰ আস্থা আৰু উমৈহতীয়া আকাংক্ষাকে সূচায়।

ooooooooo

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে চত্তিছগড়ৰ বাষ্টাৰৰ মাণ্ডলিক মুখ্য কাৰ্যালয় জগদলপুৰত আজি বাষ্টাৰ পানদুম মহোৎসৱ উদ্বোধন কৰে। উদ্বোধনী ভাষণত ৰাষ্ট্ৰপতিগৰাকীয়ে কয় যে বাষ্টাৰৰ জনসাধাৰণে এতিয়া জীৱন উদযাপন কৰিছে। বাষ্টাৰ পানদুম মহোৎসৱৰ জৰিয়তে দেশ তথা সমগ্ৰ বিশ্বই বাষ্টাৰ অঞ্চলৰ চহকী জনজাতি সংস্কৃতিৰ বিষয়ে জানিব পাৰিব। চত্তিছগড়ৰ ৰাজ্যপাল ৰমেন ডেকা আৰু মুখ্যমন্ত্ৰী বিষ্ণু দেও  সাই এই অনুষ্ঠানত উপস্থিত থাকে। বাষ্টাৰ পানদুম মহোৎসৱৰ অধীনত ৯ ফেব্ৰুৱাৰীলৈকে মাণ্ডলিক পৰ্যায়ৰ প্ৰতিযোগিতাৰ আয়োজন কৰা হৈছে। এই মসময়ছোৱাত ৮৪ দলৰ ৭০০ ৰো অধিক শিল্পীয়ে সাংস্কৃতিক অনুষ্ঠান পৰিৱেশন কৰিব। জনজাতি নৃত্য-গীতৰ লগতে মহোৎসৱত হস্ত শিল্প, পৰম্পৰাগত জনজাতীয় খাদ্য, পৰম্পৰাগত বাদ্য-যন্ত্ৰ আদি প্ৰদৰ্শনৰে  আয়োজন কৰা হৈছে।

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী ইতিমধ্যে দুদিনীয়া ভ্ৰমণসূচীৰে মালয়েছিয়ালৈ বুলি ৰাওনা হৈছে। ৰাওনা হোৱাৰ পূৰ্বে দিয়া এটা বিবৃতিত প্ৰধানমন্ত্ৰীয়ে কয়, যে মালয়েছিয়াৰ প্ৰধানমন্ত্ৰী আনৱাৰ ইব্ৰাহিমৰ সৈতে হ'বলগীয়া আলোচনাত প্ৰতিৰক্ষা আৰু সুৰক্ষা সহযোগিতা আগবঢ়াই নিয়া, অৰ্থনৈতিক আৰু উদ্ভাৱন ক্ষেত্ৰৰ সম্পৰ্ক সুদৃঢ় কৰা আৰু পাৰস্পৰিক স্বাৰ্থজড়িত নতুন ক্ষেত্ৰসমূহত সমন্বয় সম্প্ৰসাৰণত বিশেষ গুৰুত্ব আৰোপ কৰা হ'ব। প্ৰধানমন্ত্ৰীয়ে আজি বিয়লি কুৱালালামপুৰত ছেলামট ডাটং মোদীজী শীৰ্ষক এটা সমূহীয়া অনুষ্ঠানত অংশগ্ৰহণ কৰিব। এই অনুষ্ঠানত দেশখনত বাস কৰা প্ৰায় ১৫ হাজাৰ প্ৰবাসী ভাৰতীয়ই অংশগ্ৰহণ কৰাৰ সম্ভাৱনা আছে। অনুষ্ঠানত প্ৰধানমন্ত্ৰী মোদী আৰু মালয়েছিয়াৰ প্ৰধানমন্ত্ৰী ইব্ৰাহিমে যুটীয়াভাৱে ভাষণ দিব। মালয়েছিয়াত ভাৰতীয় সম্প্ৰদায়ৰ গুৰুত্বপূৰ্ণ ভূমিকাৰ বিষয়ে আলোকপাত কৰি শ্ৰী মোদীয়ে কয়, যে প্ৰবাসী ভাৰতীয়সকলে দুয়ো দেশৰ মাজত জীৱন্ত সেতু আৰু ঐতিহাসিক মিত্ৰতাৰ শক্তিশালী স্তম্ভ হিচাপে কাম কৰি আহিছে।

ইপিনে, বৈদেশিক পৰিক্ৰমা মন্ত্ৰ্যালয়ৰ মুখপাত্ৰ ৰণধীৰ জয়ছোৱালে প্ৰধানমন্ত্ৰীৰ মালয়েছিয়া ভ্ৰমণ সন্দৰ্ভত মত প্ৰকাশ কৰি আজি কয়, যে ভাৰত আৰু মালয়েছিয়াৰ মাজত সৰ্বাত্মক কৌশলগত সহযোগিতা আছে আৰু ঐতিহাসিক তথা সাংস্কৃতিক সম্পৰ্ক এই সহযোগিতাৰ মূল শিপাস্বৰূপ। তেওঁ কয়, যে ভ্ৰমণকালত প্ৰধানমন্ত্ৰীয়ে কেইবাটাও গুৰুত্বপূৰ্ণ কাৰ্যসূচীত ভাগ ল'ব। এই ভ্ৰমণে উভয় দেশৰ মাজৰ বিশেষ সম্পৰ্ক অধিক সুদৃঢ় কৰিব বুলি তেওঁ আশা প্ৰকাশ কৰে।

ooooooooo

বিজেপিৰ ৰাষ্ট্ৰীয় সভাপতি নীতিন নবীনে কয় যে ভাৰত আৰু আমেৰিকা যুক্তৰাষ্ট্ৰৰ মাজত অৰ্থনৈতিক সম্বন্ধই দুয়োখন দেশৰ মাজত অন্তৰৰ্তী বাণিজ্য চুক্তি সম্পন্ন হোৱাৰ ক্ষেত্ৰত ফলদায়ক ভূমিকা গ্ৰহণ কৰিলে। চুক্তিখনক আদৰণি জনাই শ্ৰী নবীনে কয় যে ভাৰত-আমেৰিকা যুক্তৰাষ্ট্ৰৰ এই অংশীদাৰিত্বই বৃহৎ বজাৰ সৃষ্টি কৰাৰ উপৰি বিনিয়োগ বৃদ্ধি কৰিব আৰু বিশেষকৈ ভাৰতৰ যুৱ সমাজৰ বাবে ব্যাপক কৰ্মসংস্থাপনৰ সা-সুবিধা মুকলি কৰিব। তেওঁ লগতে কয় যে কৃষক, ক্ষুদ্ৰ উদ্যোগী, উদ্ভাৱনমূলক চিন্তাৰ উদ্যমী, ৰপ্তানীকাৰী আৰু সামুদ্ৰিক অৰ্থনীতি এই বাণিজ্য চুক্তিৰ জৰিয়তে লাভান্বিত হ'ব। শ্ৰী নবীনে কয় যে এনেধৰণৰ ভৱিষ্যদৰ্শী গোলকীয় অংশীদাৰিত্বই দেশক গোলকীয় বিকাশ ইঞ্জিনৰ গুৰুত্বপূৰ্ণ স্থানত উপনীত কৰাব।

০০০০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আৰু আমেৰিকা যুক্তৰাষ্ট্ৰৰ ৰাষ্ট্ৰপতি ড'নাল্ড ট্ৰাম্পৰ নেতৃত্বত গৌৰৱোজ্জ্বল ভৱিষ্যতৰ প্ৰতি থকা উমৈহতীয়া প্ৰতিশ্ৰুতিবদ্ধতা দুয়োদেশৰ মাজত অলপতে সম্পাদিত অন্তৰৰ্তী বাণিজ্য চুক্তিৰ মূল আধাৰ বুলি পেট্ৰ'লিয়াম আৰু প্ৰাকৃতিক গেছ মন্ত্ৰী হৰদীপ সিং পুৰীয়ে মন্তব্য কৰিছে। মন্ত্ৰীগৰাকীয়ে আজি সামাজিক মাধ্যমযোগে কয়, যে এই চুক্তিখনে মেক ইন ইণ্ডিয়া উদ্যম অধিক সুদৃঢ় কৰি তুলিব আৰু দেশৰ কৃষক, উদ্যমী, অতি ক্ষুদ্ৰ, ক্ষুদ্ৰ আৰু মজলীয়া উদ্যোগ, ষ্টাৰ্টআপ প্ৰতিষ্ঠান, উদ্ভাৱক আৰু মাছমৰীয়াসকলৰ বাবে অপাৰ সুযোগ সৃষ্টি কৰিব। এই চুক্তিখনৰ ফলত বিশেষকৈ দেশৰ যুৱ প্ৰজন্মৰ বাবে ব্যাপক হাৰত প্ৰত্যক্ষ আৰু পৰোক্ষ কৰ্মসংস্থাপনৰ সুযোগ সৃষ্টি হ'ব বুলি শ্ৰী পুৰীয়ে দাবী কৰে। মন্ত্ৰীগৰাকীয়ে কয়, যে এই চুক্তিখনে উদ্ভাৱনৰ প্ৰসাৰৰ প্ৰতি থকা প্ৰতিশ্ৰুতিবদ্ধতাক প্ৰতিফলিত কৰে আৰু ই ভাৰত আৰু আমেৰিকা যুক্তৰাষ্ট্ৰৰ মাজৰ বিনিয়োগ তথা প্ৰযুক্তিগত সহযোগিতা অধিক সুদৃঢ় কৰিব।

কৃষি আৰু কৃষক কল্যাণ মন্ত্ৰী শিৱৰাজ সিং চৌহানেও এই বাণিজ্যিক চুক্তিৰ প্ৰশংসা কৰিছে। মন্ত্ৰীগৰাকীয়ে সামাজিক মাধ্যমযোগে চুক্তিখনে দেশৰ খেতিয়কসকলৰ পূৰ্ণ সুৰক্ষা সুনিশ্চিত কৰিব বুলি দাবী কৰিছে। শ্ৰী চৌহানে কয়, যে ইয়াৰ জৰিয়তে দুগ্ধজাত সামগ্ৰী, শস্য আৰু শাক-পাচলিৰ উৎপাদনৰ সৈতে জড়িত খেতিয়কসকলৰ স্বাৰ্থ সুৰক্ষিত কৰা হৈছে। কৃষকসকলৰ স্বাৰ্থ সকলোৰে ঊৰ্ধত বুলি তেওঁ মন্তব্য কৰে।

০০০০০০০০০

মেঘালয়ৰ পূব জয়ন্তীয়া পাহাৰ জিলাৰ থাংস্কক' অঞ্চলৰ মিনশ্বিংগাতত কয়লা খনিত বিস্ফোৰণৰ ফলত মৃত্যু হোৱা লোকৰ সংখ্যা ২৫ লৈ বৃদ্ধি পাইছে। পূব জয়ন্তীয়া পাহাৰৰ আৰক্ষী অধীক্ষক বিকাশ কুমাৰে জনোৱা মতে উদ্ধাৰকাৰী দলে কালি নিশা চলোৱা অভিযানত চাৰিজন শ্ৰমিকৰ মৃতদেহ উদ্ধাৰ কৰা হয়। বৰ্তমানলৈকে উদ্ধাৰ কৰা ১৭টা মৃতদেহ চিনাক্ত কৰা হৈছে আৰু যাৱতীয় আইনী ব্যৱস্থা সম্পূৰ্ণ কৰাৰ পাছত পৰিয়ালৰ লোকক মৃতদেহ চমজাই দিয়া হৈছে। এই ঘটনাৰ সৈতে জড়িত দুজনক গ্ৰেপ্তাৰ কৰি কালি আদালতত হাজিৰ কৰোৱা হয়। দুয়োজন লোকক তিনিদিনৰ বাবে আৰক্ষীৰ জিম্মাত ৰখা হৈছে। আৰক্ষীয়ে ঘটনাৰ তদন্ত অব্যাহত ৰখাৰ লগতে ইয়াৰ সৈতে জড়িত আন সকলক চিনাক্ত কৰাৰ বাবে অভিযান চলাই আছে। প্ৰত্যক্ষদৰ্শীয়ে জনোৱা মতে কয়লা খনিটোত এতিয়াও আৰু বহুলোক আবদ্ধ হৈ আছে। কয়লা খনিত কাম কৰিবলৈ যোৱা ছজন শ্ৰমিকৰ পৰিয়ালে শ্ৰমিককেইজন এতিয়াও সন্ধানহীন হৈ আছে বুলি জনাইছে। ঘটনাস্থলীত সম্প্ৰতি ৰাজ্যিক দুৰ্যোগ ব্যৱস্থাপনা বাহিনীৰ দুটা দল, এন ডি আৰ এফৰ তিনিটা দল আৰু সীমান্ত সুৰক্ষা বাহিনী তথা চিকিৎসকৰ দল উদ্ধাৰ অভিযানত জড়িত হৈ আছে।

০০০০০০০০০

বি চি চি আয়ে ১৯ বছৰৰ অনূৰ্ধৰ পুৰুষৰ বিশ্বকাপ ক্ৰিকেট বিজয়ী দলটোৰ খেলুৱৈ সহকাৰী কৰ্মচাৰী আৰু বাছনি কমিটিক মুঠ ৭ কোটি ৫০ লাখ টকা পুৰস্কাৰ দিয়াৰ ঘোষণা কৰিছে। আই চি চি ১৯ বছৰ অনূৰ্ধৰ পুৰুষৰ বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাৰ হাৰাৰেৰ স্পৰ্টছ ক্লাৱ ষ্টেডিয়ামত অনুষ্ঠিত ফাইনেলত কালি ভাৰতীৰ দলটোৱে ইংলেণ্ডক ১০০ ৰানক পৰাজিত কৰি বিজয়ী হৈছিল। ইয়াৰ জৰিয়তে ভাৰতে ষষ্ঠবাৰৰ বাবে এই খিতাপ লাভ কৰি অভিলেখ গঢ়ে।

০০০০০০০০০

ভাৰত আৰু শ্ৰীলংকাই যুটীয়াভাৱে আয়োজন কৰা আই চি চি পুৰুষ টি-২০ বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাৰ কলম্বোৰ ছিনহালিচ স্পৰ্টছ ক্লাবত অনুষ্ঠিত উদ্বোধনী খেলত নেডাৰলেণ্ড্ছে পাকিস্তানক জয়ৰ বাবে ১৪৮ ৰানৰ লক্ষ্য নিৰ্ধাৰণ কৰি দিছে। খেলখনত নেডাৰলেণ্ডছে প্ৰথমে বেট ধৰাৰ আমন্ত্ৰণ লাভ কৰি ১৯ অ'ভাৰ আৰু পাঁচটা বলত আটাইকেইটা উইকেট হেৰুৱাই ১৪৭ ৰান সংগ্ৰহ কৰিছে। প্ৰত্যুত্তৰত পাকিস্তানে আমালৈ বাতৰি অহাৰ পৰলৈকে ১০ অ'ভাৰত দুটা উইকেটৰ বিনিময়ত ৯০ ৰান সংগ্ৰহ কৰি খেলি আছে।

অহা ৮ মাৰ্চলৈকে চলিবলগীয়া এই প্ৰতিযোগিতাত ২০ দলে অংশগ্ৰহণ কৰিছে। ভাৰত আৰু শ্ৰীলংকাৰ বিভিন্ন স্থানত মুঠ ৫৫ খন খেল অনুষ্ঠিত হ'ব।

আজিৰ দ্বিতীয়খন খেল কলকাতাৰ ইডেন গাৰ্ডেনছত বিয়লি ৩ বজাত ৱেষ্ট ইণ্ডিজ আৰু স্কটলেণ্ডৰ মাজত অনুষ্ঠিত হ'ব আৰু মুম্বাইৰ ৱাংখেড়ে ষ্টেডিয়ামত হ'বলগীয়া তৃতীয়খন খেলত ভাৰত আমেৰিকা যুক্তৰাষ্ট্ৰৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। খেলখন সন্ধিয়া ৭ বজাত আৰম্ভ হ'ব।

oooooooo

সমাপ্ত